

১২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচী হৈছে জন্ম নিয়ন্ত্রণৰ পৰিকল্পনা আৰু সমগ্র পৰিয়ালৰে স্বাস্থ্যৰ কল্যাণ কৰা। ই হৈছে কেন্দ্রীয় পৰিচালিত কাৰ্যসূচী। এই পৰিকল্পনা প্রয়োগৰ বাবে কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহক ১০০% সাহায্য প্রদান কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ প্রধান উদ্দেশ্য হৈছে জনসংখ্যা বৃদ্ধি স্থবিৰ কৰা আৰু গুণগত স্বাস্থ্য সেৱা যেনে— প্রতিষেধক টীকা শিশু আৰু গর্ভৱতী মাতৃ উভয়কে প্রদান কৰা।

- স্বেচ্ছামূলকভাৱে সৰু পৰিয়ালৰ ধাৰণা গ্রহণত সুবিধা দিয়া।
- ব্যৱধান ৰক্ষা পদ্ধতিৰ ব্যৱহাৰ কৰা।
- বিবাহিত পুৰুষ-মহিলাসকলক জন্ম নিৰোধক লাভৰ ব্যৱস্থা কৰা।
- উন্নতমানৰ প্রসৱ বৃদ্ধি কৰি তোলা আৰু জনসংখ্যা নিয়ন্ত্রণ কৰা, জন্ম আৰু শিশু স্বাস্থ্য কাৰ্যসূচী প্রত্যেক ৰাজ্যতে সাম্প্রদায়িক প্রয়োজন ভিত্তিকভাৱে প্রয়োগ কৰা।

৩ নং প্রশ্নৰ উত্তৰ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ অন্তর্ভুক্ত দিশবোৰ হৈছে—

- পৰিয়াল পৰিকল্পনাৰ তথ্য, পৰামর্শ আৰু সেৱাৰে মহিলাসকলক স্বাস্থ্য সম্মতভাৱে শিশু জন্ম দিয়াত সহায় কৰা।
- মহিলাসকলক স্বাস্থ্য সম্মত প্রসৱ, প্রসৱৰ পিছত শিশু আৰু মাতৃৰ স্বাস্থ্যৰ যত্ন আৰু প্রসৱৰ আগৰছোৱা সময়ত ল'বলগীয়া চিকিৎসাৰ বাবে মহিলাসকলক শিক্ষা প্রদান কৰা।
- নৱজাতকৰ স্বাস্থ্যৰ যত্ন আৰু বেমাৰৰ প্রতিষেধক প্রদান।
- যৌনৰোগ সংক্রমণৰ চিকিৎসা আৰু প্রতিকাৰ।

৪ নং প্রশ্নৰ উত্তৰ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচী প্রয়োগৰ প্রধান কৌশলসমূহ ঃ

- ই অন্য স্বাস্থ্য সেৱাৰ সৈতে একত্রিত।
- গ্রাম্য অঞ্চলত অধিক গুৰুত্ব।
- দুটা শিশুৰ ধাৰণা প্রচলিত হোৱা।
- ব্যৱধান ৰাখি দুটা শিশু জন্ম দিয়াৰ ক্ষেত্রত কিছুমান পদ্ধতি অৱলম্বন কৰা।
- সৰু পৰিয়ালৰ ধাৰণা ল'বলৈ পৰিয়ালসমূহৰ ঘৰে ঘৰে গৈ উৎসাহিত কৰা।
- ল'ৰা-ছোৱালী উভয়কে শিক্ষাৰ প্রতি উৎসাহিত কৰা।
- মানুহৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ বাবে সুবিধা প্রদান কৰা।
- পৰিয়াল পৰিকল্পনাৰ ধাৰণা অৱলম্বন কৰিবলৈ দুখীয়া লোকসকলক আর্থিক

পুৰস্কাৰ প্ৰদান কৰা।

- গণ মাধ্যমৰ বিভিন্ন আহিলাসমূহৰ যোগেদি বিস্তৃত হাৰত পৰিয়াল পৰিকল্পনাৰ বাবে সজাগতা সৃষ্টি কৰা।



১২.৯ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচী বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ উল্লেখ কৰক।

(খ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ বিভিন্ন আঁচনিবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতবৰ্ষৰ পৰিয়াল কল্যাণ কাৰ্যসূচীৰ বিকাশৰ বিষয়ে আলোচনা কৰক।

*** ***** ***